# সূচীপত্ৰ


**আগকথা ঃ**

**অৱতৰণিকা ঃ** i-xi

.০১ ঃ অধ্যয়নৰ বিষয়বস্তু

.০২ ঃ অধ্যয়নৰ ক্ষেত্ৰ আৰু অধিবাসী

.০৩ ঃ পূৰ্বকৃত অধ্যয়নৰ খতিয়ান

.০৪ ঃ অধ্যয়নৰ উদ্দেশ্য

.০৫ ঃ অধ্যয়নৰ পদ্ধতি

**প্ৰথম অধ্যায় ঃ**

**অসমৰ নাৰীকেন্দ্ৰিক লোকাচাৰ আৰু তোলনি বিয়া** ১ - ৪৩

**দ্বিতীয় অধ্যায় ঃ**

**তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাস** ৪৪ - ১০৭

**তৃতীয় অধ্যায় ঃ**

**তোলনি বিয়াৰ গীত-পদ** ১০৮ - ১৬৩

**চতুৰ্থ অধ্যায় ঃ**

**অসমীয়া সাহিত্যত তোলনি বিয়াৰ প্ৰসংগ** ১৬৪ - ২৩৩

**পঞ্চম অধ্যায় ঃ**

**তোলনি বিয়াৰ পৰিৱৰ্তন আৰু প্ৰাসংগিকতা** ২৩৪ - ২৫৭

**উপসংহাৰ ঃ** ২৫৮ - ২৬৬

**গ্ৰন্থপঞ্জী ঃ** ২৬৭ - ২৮১

**পৰিশিষ্ট ঃ** **ক) সংবাদদাতা / সংবাদদাত্ৰী** ২৮২ - ২৮৪

**খ) দৰঙী উপভাষাৰ শব্দাৰ্থ** ২৮৫ - ২৮৬

**গ) আলোকচিত্ৰ** ২৮৭ - ২৯৮

# আগকথা

অসমৰ সামাজিক উৎসৱ-অনুষ্ঠানৰ ভিতৰত আটাইতকৈ প্ৰাণৱন্ত আৰু আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ল বিবাহ অনুষ্ঠান। ডেকা-গাভৰুৰ যুগ্মজীৱনৰ বিয়া আৰু তোলনি বিয়া এই দুয়োধৰণৰ বিবাহানুষ্ঠানত সৰুৰে পৰা উপস্থিত থাকি অহাৰ নানান স্মৃতি এতিয়াও মানসপটত সজীৱ হৈ আছে। বিশেষকৈ তোলনি বিয়াত প্ৰয়োজন হোৱা জপা, জননি আদি বাঁহৰ সামগ্ৰী, বিয়াঘৰৰ আখৈ ফুটোৱা খদমদম, তোলনি হোৱা ছোৱালীৰ ওচৰলৈ গাঁৱৰ তিৰোতাসকলৰ সোঁত আৰু কিশোৰীজনীক ধুৱাবৰ দিনা তিৰোতাসকলে কৰা ধেমালি তেনে স্মৃতিৰ অন্যতম। আমি নিজেও তোলনি বিয়াৰ পৰম্পৰাগত আচাৰসমূহ পালন কৰিছিলো আৰু সেই সময়তেই এই অনুষ্ঠানটোৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশতে দৃষ্টি নিবন্ধ হৈছিল। কালক্ৰমত তোলনি বিয়াৰ এই পৰম্পৰাগত ৰূপটো সলনি হৈ আন কেতবোৰ অনুষ্ঠানৰ দৰে যান্ত্ৰিক আৰু আড়ম্বৰপূৰ্ণ হৈ পৰিল, নিজৰ চকুৰ আগতে এই পৰিৱৰ্তন সাধিত হ'ল।

দৰং জিলাৰ হাজৰিকাপাৰাৰ যিটো অঞ্চলত আমাৰ জন্মস্থান ইয়াৰ আশে পাশে এটি বিস্তৃত এলেকা সামৰি তাহানিতে দেখি অহা তোলনি বিয়াৰ লোকাচাৰ আৰু লোকবিশ্বাসসমূহক প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰাৰ ইচ্ছা মনত পুহি ৰাখিছিলো। কোকৰাঝাৰ জিলাৰ বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনত গৱেষণাৰ বাবে বাট মুকলি হোৱাত দৰং জিলাক মুখ্যস্থান হিচাপে লৈ নামনি অসম সামৰি তোলনি বিয়াৰ বিষয়ে গৱেষণা কৰিবলৈ আগবঢ়াৰ প্ৰয়াস কৰোঁ।

গৱেষণাৰ প্ৰথম ঢাপৰ পৰা শেষলৈকে ব্যস্ততাপূৰ্ণ সময়ৰ মাজতে তত্ত্বাৱধায়ক বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ভাৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° বিভূতি লোচন শৰ্মাদেৱৰ আন্তৰিকতাপূৰ্ণ সহায় সহাযোগ অবিহনে আমাৰ কামে পূৰ্ণতা নাপালেহেঁতেনে, এই চেগতে তেখেতলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক ড° নবীনচন্দ্ৰ শৰ্মা আৰু একেখন বিশ্ববিদ্যালয়ৰে অসমীয়া বিভাগৰ অধ্যাপক ড° কনকচন্দ্ৰ চহৰীয়া, এই দুয়োজন ব্যক্তিয়ে দিহা-পৰামৰ্শ আৰু নজনা কথা জানিবলৈ দি মোক কৃতাৰ্থ

কৰিছে। দুয়োজন ব্যক্তিলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাঁচিলো।

বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক অধ্যপিকা ক্ৰমে ড° চুমী কলিতা, ড° ডেইজীৰাণী ডেকা, ড° ৰাতুল ডেকা আৰু দীপামণি বৈশ্য আৰু এই বিভাগৰে প্ৰাক্তন মুৰব্বী অধ্যাপক ড° নৰজ্যোতি শৰ্মা (বৰ্তমান আমজোঙাৰ পণ্ডিত দীনদয়াল উপাধ্যায় মহাবিদ্যালয়ৰ অধ্যক্ষ) আদি ব্যক্তিসকলে সততে মোৰ গৱেষণা কৰ্মৰ অগ্ৰগতিৰ খা-খবৰ লৈ উৎসাহিত কৰি আহিছে, এই সুযোগতে আটাইলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়ৰ অধ্যক্ষা ড° বনবীনা ব্ৰহ্ম মহাশয়াই বিদ্যায়তনিক দিশত দিয়া উৎসাহ-উদ্দীপনাই মোক উপকৃত কৰিছে, তেখেতলৈও মোৰ কৃতজ্ঞতা জনালোঁ। এই মহাবিদ্যালয়ৰে অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ৰুণু দেৱনাথ প্ৰমুখ্যে ড° হেমন্ত কুমাৰ দাস, ড° নিৰ্মালি দাস, ড° সুনীতা শৰ্মাই বিভিন্ন ধৰণে মোক সহায় কৰিছে, আটাইলৈকে মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ।

মোৰ মা নমাই হাজৰিকা, শহুৰ কেশৰ চন্দ্ৰ বৰা, শাহু পদেশ্বৰী বৰাই ভালেমান তথ্য দি আৰু আশীৰ্বাদেৰে মোক ধন্য কৰিছে, তিনিওজনকে মোৰ শ্ৰদ্ধা জনালোঁ। গৃহস্থ ৰমেশ বৰা, মনোজ আৰু মাইনা, ভাই বোৱাৰী আইমণি, দুই ল'ৰা অনুৰাগ আৰু অনুজ সকলোৰে মোক সহায় অনুপ্ৰেৰণা দি আহিছে, আটাইলৈকে মোৰ মৰম জনালোঁ। ভাইটি ৰুবুলে গৱেষণাৰ বাবে অহৰহ হেচাঁ দি আছিল, তালৈ বহুত মৰম আৰু শুভকামনা জনালোঁ।

গৱেষণা কৰ্মত হাত দিয়াৰে পৰা দিলীপ, কল্পনা, স্বপ্নালী, বনশ্ৰী, স্মৃতিয়ে খা-খবৰ লৈ থাকি আমাক উৎসাহিত কৰা বাবে সকলোকে ধন্যবাদ জনালোঁ। অনুজপ্ৰতীম উমেশ দাস, গোবিন্দ বৈশ্য, কংকন তালুকদাৰ, মহানন্দ দাসলৈ অশেষ মৰম যাচিলোঁ।

ডি.টি.পিৰ বৃহৎ দায়িত্ব সুকলমে আৰু নিষ্ঠাৰে সমাপন কৰা বাবে কাজললৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনালোঁ।

শেষত, যিসকল ব্যক্তিয়ে গৱেষণাৰ বাবে বিভিন্ন তথ্য দি অথবা অন্য ধৰণে সহায় কৰি আমাক সহায় কৰিলে সকলোকে মোৰ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ।

ৰুমী হাজৰিকা

দিনাংক ঃ

গৱেষক, অসমীয়া বিভাগ,

বড়োলেণ্ড বিশ্ববিদ্যালয়।